গমনাগমন নাজানোহো মন
যোগেশ্বৰ সদাশিৱ।।
মহাযোগী জত তাহাৰ মধ্যত
তোমাক কৰো প্ৰণাম।
এহিমতে সাৰ সনত কুমাৰ
স্তুতি কৰে জপি নাম।। ১২০

১৫.৩.১ সাধাৰণ আলোচনা

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে আমাৰ অধ্যয়নৰ বাবে নিৰ্বাচিত কৰি দিয়া এই পাঠাংশ *শিৱ পুৰাণৰ* চতুৰ্থ অধ্যায়ত সন্নিৱিষ্ট। চতুৰ্থ অধ্যায়টোত দুলড়ী ছন্দত ৰচিত সৰ্বমুঠ 36 টা পদ আছে আৰু অধ্যায়টি আৰম্ভ হৈছে শিৱ-স্তুতিৰ এটি সংস্কৃত শ্লোকেৰে। এই অধ্যায়টিত বৰ্ণিত বিষয়বস্তুসমূহ এনেধৰণৰ — ব্ৰহ্মাৰদ্বাৰা সনত কুমাৰৰ ওচৰত শিৱৰ মাহাত্ম্য ব্যাখ্যা, সনত কুমাৰৰ শিৱ স্তুতি, ব্ৰহ্মাৰ দ্বাৰা মহেশ্বৰৰ ৰূপ বৰ্ণনা, সনত কুমাৰৰ পুনৰ শিৱস্তুতি, বৰ লাভ, ব্ৰহ্মাৰ দ্বাৰা শিৱৰ মহিমা কীৰ্তন, মুনিসকলৰ দ্বাৰা শিৱৰ লিংগ পূজা আৰু বৰ লাভ, শিৱ ভক্তিৰ শ্ৰেষ্ঠত্ব নিৰূপণ। ইয়াৰে প্ৰথম দুটা অংশ আমি অধ্যয়ন কৰিবলৈ নিৰ্বাচিত কৰি দিয়া হৈছে।

আমি অধ্যয়ন কৰিবলগীয়া প্ৰথম পাঠাংশৰ শিৰোনাম 'ব্ৰহ্মাৰদ্বাৰা সনত কুমাৰৰ ওচৰত শিৱৰ মাহাত্ম্য ব্যাখ্যা' আৰু ইয়াত দুলড়ী ছন্দত লিখা 4 টা পদেৰে শিৱৰ মাহাত্ম্য ব্যাখ্যা কৰা হৈছে। ঠিক সেইদৰে দ্বিতীয়টো নিৰ্বাচিত পাঠাংশ 'সনত কুমাৰৰ শিৱ স্তুতি'ও দুলড়ী ছন্দত লিখা 11 টা পদৰ সমষ্টি। অধ্যায়টি আৰম্ভ হৈছে সংস্কৃত *শিৱ পুৰাণৰ* পৰা চয়ন কৰা এটি শ্লোকেৰে। সেই শ্লোকটিত কোৱা হৈছে — "দেৱতা আৰু অসুৰসকলে যাৰ চৰণ-পদ্ম বন্দনা কৰে, যাৰ সুবহ ভূজদ্বয়ে শত্ৰু নাশ কৰে, যিজনে কোপাগ্নিৰে মদনক ভস্মীভূত কৰিছে, সেই ত্ৰিপুৰৰ উদ্বেগকাৰী শিৱক নিতৌ নমস্কাৰ কৰোঁ।" আৰম্ভণিতেই শিৱৰ পৌৰাণিক ৰূপটো পৰিস্ফুট কবি ৰুদ্র সিংহই শিৱৰ শ্ৰেষ্ঠত্ব ঘোষণা কৰি শৈৱ সাহিত্য আৰু দৰ্শনৰ অৱতাৰণা কৰিছে।

'শিৱৰ মাহাত্ম্য ব্যাখ্যা' পাঠাংশত শিৱই যে জগতৰ একমাত্ৰ ঈশ্বৰ, তেৱেঁই অনাথৰ নাথ, সৰ্বত্ৰ বিদ্যমান বুলি ব্যক্ত কৰি তেওঁকেই সৎ, চিৎ আৰু আনন্দময় বুলি ঘোষণা কৰিছে। সেয়ে কৈছে —

নিত্য জে ঊপাস্য মুখে মৃদু হাস্য
মহাদেৱ আদি দেৱ।
প্ৰভুৰো জে প্ৰভু এহি সিৱ সম্ভূ
সৰ্ব্বদায়ে কৰো সেৱ।।

শিৱ ত্রিজগতৰ পতি, তেওঁ উপমাবিহীন, তেওঁ দেৱতাৰো দেৱতা। সেই উপনিষদৰ মন্ত্র সাৰোদ্ধাৰ কৰি তেওঁক জপ কৰিবৰ বাবে ব্রহ্মাই সনত কুমাৰক 'ৰহস্য মন্ত্র' প্রদান কৰিছে। সেই মন্ত্র লাভ কৰিয়েই সনত কুমাৰে হৃদয়ত শিৱক দেখা পাইছে। কবিৰ ভাষাত —

পাচে মন্ত্র পায়া সততে জপিয়া
হৃদয়তে দেখা পাইলা।।

ইয়াৰ পাছতেই আছে 'সনত কুমাৰৰ শিৱ-স্তুতি' অংশ। এই অংশটোত সনত কুমাৰে "বেদ মন্ত্র পঢ়ি চৰনত পড়ি" শিৱক স্তুতি কৰিবলৈ আৰম্ভ কৰিলে। শিৱই যে সকলোতকৈ শ্রেষ্ঠ, সর্বত্র ব্যাপি আছে সেই কথা ব্যক্ত হৈছে এই অংশটোত সন্নিৰিষ্ট পদসমূহত। চাৰিও যুগতে শিৱই যে ধর্ম ধাৰণ কৰি আছে সেই কথাও ব্যক্ত কৰি তেওঁৰ শ্রেষ্ঠত্ব ঘোষণা কৰিছে। আনকি কবিয়ে কৈছে —

অজাত জটিল সংসাৰৰ মূল
সবাৰে পৰম গতি।
তপসি সবৰ সস্ত্র ৰূপ ধৰ
পৰস্পদ পশুপতি।।

তেৱেঁই যুগে যুগে জগত সৃষ্টি কৰে, পালন কৰে আৰু সংহাৰ কৰে। মন কৰিবলগীয়া যে ইয়াত শিৱ আৰু বিষ্ণুক একাকাৰ কৰি পেলোৱা হৈছে। এক কথাত ক'ব পাৰি হৰি আৰু হৰৰ মাজত অভেদত্ব আৰু একত্ব দেখুৱাবলৈ প্রয়াস কৰিছে। প্রসংগক্রমে স্মৰণযোগ্য যে সংস্কৃত *শিৱ-পুৰাণ*তো হৰি-হৰৰ অভেদত্ব প্রকাশ কৰা হৈছে। ঠিক সেইদৰে *মহাভাৰত, ভাগৱত পুৰাণ* আদিতো এই অভেদ-তত্ত্ব বিদ্যমান। *ভাগৱত*ত শ্রৱণ-কীর্ত্তন কৰিলে ভক্তৰ বাঞ্ছিত ফল লাভ হয় বুলি কোৱা হৈছে; সেইদৰে ৰুদ্র সিংহয়ো শিৱৰ নাম স্মৰণ-কীর্ত্তনৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। আমি অধ্যয়ন কৰি থকা অংশটোতে কবিয়ে ব্রহ্মাক শিৱৰ নাভিপংকজত স্থিতি দিয়াৰ লগতে শংখ, চক্র, গদা ধৰি চাৰি আশ্রম পালন কৰাৰ লগতে সকলো শাস্ত্রৰে মূল বুলি কৈছে —

ব্রহ্মাৰ নায়ক মুকুতি দায়ক
নাভি পঙ্কজত স্থিত।
ব্রহ্ম ৰূপ ধৰ নীল কলেবৰ
শ্রীমন্ত সুন্দৰ নিত।।
সংখ চক্র গদা ধৰিচা সর্ব্বদা
গৃহাশ্রমি ব্রহ্মচাৰি।
বানপ্রস্থ যতি ভিক্ষুক অথিতি
চাৰিবেদ ৰূপ ধাৰি।।

যত সাস্ত্র চয় সবে তুমি ময়
ঈশ্বৰ সর্ব্বলোকৰ।
তুমি দেৱ বিভু হৰ মহাপ্রভু
পিতা মাতা সমস্তৰ।।

এইদৰে 'সনত কুমাৰৰ শিৱ-স্তুতি' অংশটোত তেওঁৰ মাহাত্ম্য ব্যক্ত কৰি শ্রেষ্ঠত্ব প্রতিপন্ন কৰা হৈছে। এই অংশ দুটা অধ্যয়ন কৰোঁতে আপুনি চাগৈ মন কৰিছে যে ইয়াতো বৈষ্ণৱ সাহিত্যৰ দৰে প্রচাৰধর্মী মনোভাব প্রকাশ পাইছে। সেইবাবেই শিৱ-বিষ্ণু বা কৃষ্ণক একাকাৰ কৰি পোলোৱা হৈছে। শিৱকেই সৃষ্টি-স্থিতি-প্রলয়ৰ শক্তিৰূপে প্রতিপন্ন কৰি শিৱ মাহাত্ম্য প্রকাশ কৰি তেওঁৰ শ্রেষ্ঠত্ব প্রতিপন্ন কৰা হৈছে। মন কৰিবলগীয়া যে এই বৈশিষ্ট্যটো অন্যান্য পুৰাণসমূহতো দেখিবলৈ পোৱা যায়। শেষত ক'ব পাৰি যে বিভিন্ন শাস্ত্রৰ পৰা পুৰাণসমূহ ৰচনা কৰাৰ দৰে ৰুদ্র সিংহইও বিভিন্ন সংস্কৃত শাস্ত্র অধ্যয়ন কৰি গভীৰ উপলব্ধিৰে *শিৱ পুৰাণ* ৰচনা কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ উপনিষদৰ মন্ত্র সাৰোদ্ধাৰ কৰি শিৱক জপ কৰিবৰ বাবে ব্রহ্মাই সনত কুমাৰক কি মন্ত্র প্রদান কৰিছে?

.....

প্রশ্ন নং ২ ঃ 'সনত কুমাৰৰ শিৱ স্তুতি' পাঠটো কি ছন্দত লিখা আৰু কিমানটা পদৰ সমষ্টি?

.....



১৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টোত আমি অধ্যয়ন কৰা প্রথম পাঠাংশৰ শিৰোনাম 'ব্রহ্মাৰদ্বাৰা সনত কুমাৰৰ ওচৰত শিৱৰ মাহাত্ম্য ব্যাখ্যা' আৰু ইয়াত দুলড়ী ছন্দত লিখা 4 টা পদেৰে শিৱৰ মাহাত্ম্য ব্যাখ্যা কৰা হৈছে। ঠিক সেইদৰে দ্বিতীয়টো নির্বাচিত পাঠাংশ 'সনত কুমাৰৰ শিৱ স্তুতি'ও দুলড়ী ছন্দত লিখা 11 টা পদৰ সমষ্টি। অধ্যায়টি আৰম্ভ হৈছে সংস্কৃত *শিৱ পুৰাণৰ* পৰা চয়ন কৰা এটি শ্লোকেৰে।
- 'ব্রহ্মাৰদ্বাৰা সনত কুমাৰৰ ওচৰত শিৱৰ মাহাত্ম্য ব্যাখ্যা' পাঠাংশত শিৱই যে জগতৰ একমাত্র ঈশ্বৰ, তেৱেঁই অনাথৰ নাথ, সর্বত্র বিদ্যমান বুলি ব্যক্ত কৰি তেওঁকেই সৎ, চিৎ আৰু আনন্দময় বুলি ঘোষণা কৰিছে।

- 'সনত কুমাৰৰ শিৱ-স্তুতি' অংশটোত শিৱই যে সকলোতকৈ শ্রেষ্ঠ বৰ দাতা, সর্বত্র ব্যাপি আছে সেই কথা ব্যক্ত হৈছে। আনকি কবিয়ে "সবাৰে পৰম গতি" বুলি উল্লেখ কৰি হৰি আৰু হৰৰ মাজত অভেদত্ব আৰু একত্ব দেখুৱাবলৈ প্রয়াস কৰিছে।



১৫.৫ অধিক জানিবলৈ

1] কাকতি, বাণীকান্ত (১৯৫৫); *পুৰাণি অসমৰ ধর্মৰ ধাৰা;* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

2] দেৱী, অমিয়া [1996]; *স্বর্গদেউ ৰুদ্রসিংহ;* গুৱাহাটী ঃ লয়ার্চ বুক ষ্টল।

3] বৰদলৈ, নির্মলপ্রভা [1997]; *শিৱ;* গুৱাহাটী ঃ সাহিত্য প্রকাশ।

4] বৰুৱা, প্রহ্লাদ কুমাৰ [1997]; *ধর্ম সমীক্ষা;* গুৱাহাটী ঃ ইম্প্রিণ্ট।

5] বৰুৱা, বিৰিঞ্চি কুমাৰ [1979]; *নির্বাচিত প্রবন্ধ;* নতুন দিল্লী ঃ সাহিত্য অকাডেমী।

6] মজুমদাৰ, বিমল [1998]; *ভক্তি সাহিত্য;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

7] শর্মা, নবীনচন্দ্র [1986] (সম্পাঃ); *শিৱ পুৰাণ;* গুৱাহাটী ঃ বাণী প্রকাশ।



১৫.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ উপনিষদৰ মন্ত্র সাৰোদ্ধাৰ কৰি শিৱক জপ কৰিবৰ বাবে ব্রহ্মাই সনত কুমাৰক 'ৰহস্য মন্ত্র' প্রদান কৰিছে।

২ নং প্রশ্নৰ উত্তৰ ঃ 'সনত কুমাৰৰ শিৱ স্তুতি' দুলড়ী ছন্দত লিখা 11 টা পদৰ সমষ্টি।



১৫.৭ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ খালি ঠাই পূৰণ কৰক —

(ক) 'ব্রহ্মাৰদ্বাৰা সনত কুমাৰৰ ওচৰত শিৱৰ মাহাত্ম্য ব্যাখ্যা'ত ..... ছন্দত লিখা 4 টা পদেৰে শিৱৰ মাহাত্ম্য ব্যাখ্যা কৰা হৈছে।